# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-09-2025
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰ **মন কী বাত** অনুষ্ঠানত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। একেটা অনুষ্ঠানতে তেওঁ অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগতো গভীৰ শোক প্ৰকাশ কৰে।

২। প্ৰধানমন্ত্ৰী মোদীয়ে স্বদেশী সামগ্ৰী ব্যৱহাৰ কৰিবলৈ আৰু ভোকেল ফ'ৰ লোকেল নীতিক মন্ত্ৰ হিচাপে গ্ৰহণ কৰি সমাগত উৎসৱৰ বতৰ উদযাপন কৰিবলৈ সকলোকে আহ্বান জনায়।

৩। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদত ভাৰতৰ অন্তৰ্ভুক্তিৰ দাবীৰ প্ৰতি ৰাছিয়াই নিজৰ সমৰ্থন দোহাৰিছে।

*আৰু*

৪। এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰ **মন কী বাত** অনুষ্ঠানত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। শেহতীয়াকৈ অসমত আয়োজিত যুগজয়ী মহান শিল্পীগৰাকীৰ জন্মশতবৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ পাই নিজকে সৌভাগ্যৱান বুলি অভিহিত কৰা প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে, সিংহলী আৰু তামিল ভাষাত পৰিৱেশন কৰা ভূপেন হাজৰিকাৰ **মানুহে মানুহৰ বাবে** শীৰ্ষক কালজয়ী গীতটো শ্ৰোতাক বজাই শুনায়। আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ ১২৬ সংখ্যক খণ্ডৰ আজিৰ এই অনুষ্ঠানতেই তেওঁ অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগতো গভীৰ শোক প্ৰকাশ কৰে। নিজৰ প্ৰতিভাৰে সমগ্ৰ দেশতে পৰিচিত হৈ পৰা জুবিন গাৰ্গৰ অসমৰ সংস্কৃতিৰ সৈতে গভীৰ সম্পৰ্ক আছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে শিল্পীগৰাকীৰ সংগীতে পৰৱৰ্তী প্ৰজন্মসমূহক সদায়েই আচ্ছন্ন কৰি ৰাখিব।

দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব বিনিময় কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে স্বদেশী সামগ্ৰী ব্যৱহাৰ কৰিবলৈ আৰু ভোকেল ফ'ৰ লোকেল নীতিক মন্ত্ৰ হিচাপে গ্ৰহণ কৰি সমাগত উৎসৱৰ বতৰ উদযাপন কৰিবলৈ সকলোকে আহ্বান জনায়। সম্প্ৰতি এটাৰ পাছত আন এটা উৎসৱ দুৱাৰদলিত উপস্থিত হোৱা বুলি তেওঁ কয়, যে এইখিনি সময়তে দেশজুৰি জি এছ টি সঞ্চয় উৎসৱো উদযাপিত হৈ আছে। দেশত উৎপাদিত সামগ্ৰী ক্ৰয় কৰাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হ'বলৈ সকলোকে আহ্বান জনাই তেওঁ কয়, যে এই কাৰ্যই একোটা পৰিয়াললৈ আশাৰ সঞ্চাৰ কৰাৰ লগতে এনে সামগ্ৰী উৎপাদনৰ সৈতে জড়িত শিল্পী-কাৰিকৰসকলৰ কঠোৰ পৰিশ্ৰমক সন্মান জনাব আৰু যুৱ উদ্যমীসকলক ডেউকা মেলি দিয়াৰ সুযোগ প্ৰদান কৰিব।

পৰিষ্কাৰ পৰিচ্ছন্নতাৰ অভিযানৰ প্ৰতি গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে আসন্ন উৎসৱৰ বতৰত এই অভিযানত নিজ নিজ ঘৰতে সীমাবদ্ধ কৰি নাৰাখি পথ, ঘৰৰ আশ-পাশৰ এলেকা, বজাৰ আৰু গাঁৱসমূহলৈ সম্প্ৰসাৰিত কৰিবলৈ আহ্বান জনায়।

নৱৰাত্ৰিৰ সময়ছোৱাত দেশৰ জনসাধাৰণে শক্তিৰ আৰাধনা কৰে বুলি উল্লেখ কৰি তেওঁ বাণিজ্যৰ পৰা ক্ৰীড়াক্ষেত্ৰলৈ, শিক্ষাৰ পৰা বিজ্ঞানলৈ প্ৰতিটো দিশতে দেশৰ কন্যাসকলে প্ৰদৰ্শন কৰা উল্লেখনীয় সাফল্যৰ বিষয়ে উদাহৰণৰে সৈতে প্ৰকাশ কৰে। এই প্ৰসংগতে তেওঁ ভাৰতীয় নৌসেনাৰ দুগৰাকী মহিলা বিষয়াৰ সাহসিকতাৰ বিষয়েও বৰ্ণনা কৰে। বিভিন্ন প্ৰতিকূলতাৰ মাজত নাৱিক সাগৰ পৰিক্ৰমাৰ জৰিয়তে সাগৰৰ বুকুত ৮ মাহ কটোৱা লেফটেনেণ্ট কমাণ্ডাৰ দিলনা আৰু লেফটেনেণ্ট কমাণ্ডাৰ ৰূপাৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ এই বিৰল অভিজ্ঞতাৰ বিষয়ে শ্ৰীমোদীয়ে শ্ৰোতা সমাজক প্ৰত্যক্ষভাৱে অৱগত কৰায়। নৌসেনা বিষয়া দুগৰাকীৰ এনে সাহসী তথা উত্তেজনাপূৰ্ণ অভিযানৰ কাহিনী শুনি নিজেও ৰোমাঞ্চিত হৈ পৰা বুলি উল্লেখ কৰি তেওঁ দুয়োকো  অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।

ছুথ্ পূজাই সম্প্ৰতি আন্তঃৰাষ্ট্ৰীয় ৰূপ পৰিগ্ৰহ কৰিবলৈ লৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে এই উৎসৱক চৰকাৰে **ইউনেস্ক'ৰ অমূৰ্ত সাংস্কৃতিক ঐতিহ্য**ৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ প্ৰয়াস চলাই আছে বুলি জানিবলৈ দি কলকাতাৰ দুৰ্গা পূজাই ইতিপূৰ্বে এই তালিকাত স্থান লাভ কৰা বুলিও প্ৰকাশ কৰে।

স্বাধীনতা সংগ্ৰামী ভগৎ সিং আৰু প্ৰসিদ্ধ গায়িকা লতা মংগেশকাৰৰ জয়ন্তীৰ পৰিপ্ৰেক্ষিতত মন কী বাতৰ আজিৰ খণ্ডটো বিশেষভাৱে গুৰুত্বপূৰ্ণ হৈ পৰা বুলি উল্লেখ কৰি তেওঁ দুয়োগৰাকী ব্যক্তিৰ স্মৃতিচাৰণ কৰি তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। শ্বহীদ ভগৎ সিঙৰ সাহসিকতাই প্ৰতিগৰাকী ভাৰতীয়ক বিশেষকৈ দেশৰ যুৱ প্ৰজন্মক চিৰদিন উদ্বুদ্ধ কৰি ৰাখিব বুলি উল্লেখ কৰাৰ লগতে লতা মংগেশকাৰৰ সৈতে থকা নিজৰ ঘনিষ্ঠ সম্পৰ্কৰ বিষয়েও তেওঁ দোহাৰে। আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কিংবদন্তি মাৰাঠী গীতিকাৰ সুধীৰ ফাড়কেই ৰচনা কৰা লতা মংগেশকাৰৰ কণ্ঠৰ **জ্যোতি কলছ ছলকে** গীতটোৰ অংশ বিশেষ বজাই শুনায়।

অহা ২ অক্টোবৰত দেশে পালন কৰিবলগীয়া গান্ধী জয়ন্তীৰ প্ৰসংগ উল্লেখ কৰি মহাত্মা গান্ধীয়ে চিৰদিন স্বদেশী সামগ্ৰীৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰিছিল আৰু এনে সামগ্ৰীৰ ভিতৰত খাদী সবাতোকৈ উল্লেখযোগ্য আছিল বুলি প্ৰধানমন্ত্ৰীয়ে মতপ্ৰকাশ  কৰে। শেহতীয়াকৈ ১১টা বছৰত দেশত খাদী সামগ্ৰীৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পাইছে বুলি জানিবলৈ দি তেওঁ ২ অক্টোবৰত প্ৰতিজন লোকক এবিধকৈ খাদী সামগ্ৰী ক্ৰয় কৰিবলৈ আৰু সামাজিক মাধ্যমত **ভোকেল ফ'ৰ লোকেল** হেশ্বটেগটো বিয়পাই দিবলৈ আহ্বান জনায়।

০০০০০০

প্ৰধানমন্ত্ৰীয়ে বিহাৰৰ মধুবনী জিলাৰ ছুইটি কুমাৰীৰ উদাহৰণেৰে সংকল্প ক্ৰিয়েচনৰ জৰিয়তে মিথিলা চিত্ৰকলাক মহিলাৰ জীৱিকাৰ মাধ্যমলৈ তেওঁ কিদৰে ৰূপান্তৰ কৰিলে সেই বিষয়ে উল্লেখ কৰে। সম্প্ৰতি ৫০০ৰো অধিক গ্ৰাম্য মহিলাই তেওঁৰ সৈতে আত্মনিৰ্ভৰশীলতাৰ পথত আগবাঢ়িছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, এই সফলতাৰ কাহিনীবোৰে পৰম্পৰাত আয়ৰ অগণন উৎস থকাটোকেই প্ৰতিপন্ন কৰে।

প্ৰধানমন্ত্ৰীয়ে কেইদিনমানৰ পাছতে দেশে বিজয় দশমী উদযাপন কৰিব বুলি উল্লেখ কৰি কয় যে এই বিজয়দশমী আন এটা কাৰণতো বিশেষ। এই দিনটোত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰতিষ্ঠাৰ ১০০ বছৰ পূৰ্ণ হ'ব বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে শতিকাজোৰা এই যাত্ৰা যিমান আচৰিত আৰু অভূতপূৰ্ব, সিমানেই প্ৰেৰণাদায়ক বুলি মতপ্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে জাতিৰ সেৱাত নিজকে উৎসৰ্গা কৰা প্ৰতিজন স্বেচ্ছাসেৱকক শুভেচ্ছা জ্ঞাপন কৰে।

অহা ৭ অক্টোবৰত মহৰ্ষি বাল্মীকি জয়ন্তী পালন কৰা হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে ৰামায়ণ মহাকাব্য মানৱজাতিক উপহাৰ দি ভগৱান ৰামৰ অৱতাৰ কাহিনীৰ সৈতে মানুহক পৰিচয় কৰাই দিয়াৰ বাবে মহৰ্ষি বাল্মিকীৰ অবদানক শ্ৰদ্ধাৰে সোঁৱৰে।

তেওঁ কয়, যে অযোধ্যাত যেতিয়া ৰাম মন্দিৰ স্থাপন কৰা হৈছিল, তেতিয়া ইয়াৰ কাষতে নিষাদৰাজ আৰু মহৰ্ষি বাল্মিকীৰ মন্দিৰো নিৰ্মাণ কৰা হৈছিল। তেওঁ জনসাধাৰণক অযোধ্যালৈ গ'লে মহৰ্ষি বাল্মীকি আৰু নিশাদ ৰাজ মন্দিৰ পৰিদৰ্শন কৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰীয়ে কয়, যে শিল্প, সাহিত্য, সংস্কৃতি কোনো এটা ক্ষেত্ৰত সীমাবদ্ধ নহয়। তেওঁ কয়, যে পেৰিছৰ সাংস্কৃতিক প্ৰতিষ্ঠান চেন্টাৰ মণ্ডপে ৫০ বছৰ অতিক্ৰম কৰিছে। ভাৰতীয় নৃত্যক জনপ্ৰিয় কৰি তোলাত এই কেন্দ্ৰটোৱে উল্লেখযোগ্য অৱদান আগবঢ়াইছে। ইয়াৰ সৈতে জড়িত সকলোকে শুভেচ্ছা জনাই শ্ৰীমোদীয়ে কেইবছৰমান পূৰ্বে পদ্মশ্ৰী বঁটা লাভ কৰা মিলেনা ছালভিনীয়ে এই কেন্দ্ৰটো গঢ়ি তুলিছিল বুলি উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে কিছুদিন পূৰ্বে মৃত্যু হোৱা দাৰ্শনিক এছ এল ভীৰাপ্পাকো শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁৰ ৰচনাসমূহে নৱ প্ৰজন্মৰ চিন্তাধাৰাক পথ প্ৰদৰ্শন কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ইপিনে এই ঋতু আমাৰ দেশত উৎসৱৰ বতৰ বুলি উল্লেখ কৰি তেওঁ দীপাৱলীৰ বাবেও সকলোকে শুভেচ্ছা জনায়।

০০০০০০

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদত ভাৰতৰ অন্তৰ্ভুক্তিৰ দাবীৰ প্ৰতি ৰাছিয়াই নিজৰ সমৰ্থন দোহাৰিছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণৰ সভাৰ ৮০ সংখ্যক অধিৱেশনত ৰাছিয়াৰ বিদেশ মন্ত্ৰী ছাৰ্গেই লেভ্‌ৰোভে সাম্প্ৰতিক বিশ্বৰ প্ৰেক্ষাপটত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত প্ৰতিফলিত হোৱাকৈ সংস্থাটোৰ সংস্কাৰ সাধনত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে ৰাছিয়াই ৰাষ্ট্ৰসংঘত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ প্ৰতিনিধিত্বক উৎসাহিত কৰাৰ বাবে ভাৰতৰ স্থায়ী সদস্যৰ আৱেদনক সমৰ্থন জনায়।

০০০০০০

তামিলনাডুৰ কাৰুৰত এটা ৰাজনৈতিক সমদলত পদপিষ্ট হৈ মৃত্যু হোৱা লোকৰ সংখ্যা ৩৯ লৈ বৃদ্ধি পাইছে। এই ঘটনাত আহত ৫০ জনতকৈও অধিক লোক ৰাজ্যখনৰ বিভিন্ন হাস্পতালত চিকিৎসাধীন হৈ আছে। ২৩ জনৰো অধিক লোক আই চি ইউত চিকিৎসাধীন হৈ আছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই শোকাবহ দুৰ্ঘটনাত নিহত হোৱা লোকসকলৰ প্ৰতি গভীৰ শোকপ্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিহতসকলৰ নিকট আত্মীয়লৈ প্ৰধানমন্ত্ৰী সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ এককালীন সাহায্যৰ কথা ঘোষণা কৰিছে। ইয়াৰ লগতে আহতসকললৈ ৫০ হাজাৰ টকাকৈ এককালীন সাহায্যৰ কথা ঘোষণা কৰে।

০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী এছ্. জয়শংকৰে ভাৰতৰ চুবুৰীয়া এখন দেশক গোলকীয় সন্ত্ৰাসবাদৰ অভিকেন্দ্ৰ বুলি উল্লেখ কৰি দেশে স্বাধীনতাৰ পৰাই সন্ত্ৰাসবাদৰ প্ৰত্যাহ্বানক মুখামুখি হৈ আহিছে বুলি মন্তব্য কৰিছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ৮০ সংখ্যক অধিৱেশনত অংশগ্ৰহণ কৰি ড° জয়শংকৰে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সন্ত্ৰাসবাদৰ বৃহৎ আক্ৰমণসমূহৰ সেইখন দেশৰ পৰাই সংঘটিত হৈ আহিছে বুলি উল্লেখ কৰে। চলিত বৰ্ষৰ এপ্ৰিলত পেহেলগামত পৰ্যটকৰ ওপৰত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ বিষয়েও তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতে সদায় জনসাধাৰণক সন্ত্ৰাসবাদৰ পৰা ৰক্ষা কৰাৰ বাবে প্ৰচেষ্টা চলাই আহিছে।

০০০০০০

এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলোৱা হ'ব। বিগত ৪১ বছৰত এছিয়া কাপ প্ৰতিযোগিতাৰ ইতিহাসত মুঠ ১৭টা সংস্কৰণত ফাইনেলত এইবেলি প্ৰথমবাৰলৈ ভাৰত-পাকিস্তানৰ মুখামুখি হ'ব।

০০০০০০

**সমাপ্ত**